# আম আদমী পাৰ্টি - বিজ্ঞানসন্মত মিছলীয়া লোকৰ দ'ল

**দিনাংক- ৪ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

যোৱাকালি আম আদমী পাৰ্টিৰ বিধায়ক এজনে কোনো প্ৰমাণ নোহোৱাকৈ মোৰ আৰু শ্ৰীযুত নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে দায়িত্ববিহীন বিবৃত্তি প্ৰকাশ কৰি অপ্ৰয়োজনীয় বিবাদৰ সৃষ্টি কৰিছে । মই এই অভিযোগক অৰ্থহীন আখ্যা দিছো । আম আদমী পাৰ্টিয়ে নিৰ্মাণ কৰা এই অভিযোগক আৰু বেছি সৰল কৰিব'লৈ মোৰ বাসগৃহৰ সন্মূখত প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লৈছে । মই এতিয় মানি লৈছো যে আম আদমী পাৰ্টি এক বিজ্ঞানসন্মত মিছলীয়া লোকৰ দ'ল । তেওঁলোকে মিছা কথা প্ৰস্তুত কৰে আৰু ইয়াক সত্য প্ৰমাণিত কৰিব'লৈ নিজকে বিশ্বাস যোগায় ।

বিধায়ক মদন লালে দিয়া বিবৃত্তিৰ ওপৰত মই কিছু মন্তব্য দাঙি ধৰিব বিচাৰিছো ।

১/ মই অথবা নৰেন্দ্ৰ মোডীয়ে গ'মেই নাপায় যে এই বিধায়ক মদন লাল কোন ?

২/ তেওঁ দাবী কৰিছে যে ৭ ডিচেম্বৰ ২০১৩ তাৰিখে টেলিফোনৰ জড়িয়তে তেওঁক মোৰ সৈতে বৈঠকৰ বাবে জনোৱা হৈছিল ।

৩/ টেলিফোন কৰা ব্যক্তিজনৰ নাম তেওঁ নাজানে । আনকি ফোন ক'ৰ পৰা আহিছিল সেইয়াও জ্ঞাত নহয় । লগতে তেওঁ নিজৰ ক'ল ৰেকৰ্ডো নাচালে যি ক'লাৰৰ পৰিচয় দিব পাৰে ।

৪/ ৭ ডিচেম্বৰ ২০১৩ তাৰিখে দিল্লী নিৰ্বাচনৰ ফলাফলৰ ঘোষনাও কৰা হোৱা নাছিল । মদন লাল বিধায়কো নাছিল । দিল্লীৰ বহুত লোকে ভৱাও নাছিল যে তেওঁৰ দ'লে ইমান ভাল সংখ্যাৰ আসন লাভ কৰিব আৰু তেওঁ এজন বিধায়ক হ'ব । বিধায়ক নিৰ্বাচিত নোহোৱাৰ পূৰ্বে কোনো ব্যক্তিয়ে তেওঁক এনে ভুৱা প্ৰস্তাৱৰ বাবে কিয় ফোন কৰিব ?

৫/ লগতে তেওঁ দাবী কৰিছে যে গুজৰাটৰ কিছু লোকে ১০/১২ দিনৰ পূৰ্ব্বে তেওঁক বৃহৎ পৰিমাণৰ ঘোচ যাচিবৰ বাবে কাষ চাপিছিল ।

৬/ তেওঁ কাষ চপা লোকৰ নাম, পদ আৰু মৰ্য্যদাৰ বিষয়েও জ্ঞাত নহয় ।

৭/ ঘোচ গ্ৰহণ কৰি ঘোচ দিয়াৰ বিৰুদ্ধে গুপন অভিযান  কৰাৰ যি পৰামৰ্শ তেওঁৰ দ'লে দিছিল, সেইয়াও তেওঁ নামানিলে ।

৮/ ১০ দিন পৰ্য্যন্ত তেওঁ মৌন থকাৰ সিদ্ধান্ত ল'লে ।

৯/ কৌতুহ'লপূৰ্ণভাৱে, মদন লালৰ সংবাদ মেলৰ ১ ঘন্টা পূৰ্বে এ আই চি চি ৰ সাধাৰণ সম্পাদক শ্ৰীযুত চকিল আহমেদে ঘোচ দিয়াৰ অভিযোগৰ এই ঘটনাৰ বিষয়ে এক বিবৃত্তি প্ৰদান কৰিছিল ।

তেওঁৰ দাবী স্পষ্টভাৱে উদ্ভট আছিল । সত্যতাই সকলো কৈ যায় । কিন্তু দেখা গৈছে যে আম আদমী পাৰ্টিয়ে মিছা কৰা নিৰ্মাণ কৰি ইয়াৰ সত্যতাক লৈ নিজকে বিশ্বাস জন্মায় আৰু উদ্ভট আৰু মিছা হোৱা স্বত্বেও এই বিষয়ত অগ্ৰসৰ হৈ থাকে ।